TESS India

# Language, literacy and citizenship

# ভাষা, সাক্ষৰতা আৰু নাগৰিকত্ব





Teacher Education through School-based Support in India
www.TESS-India.edu.in

অনুবাদ আৰু অভিযোজন ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

http://creativecommons.org/licenses/

The Open University

UKaid from the British people

*TESS-India (Teacher Education through School-based Support) aims to improve the classroom practices of elementary and secondary teachers in India through the provision of Open Educational Resources (OERs) to support teachers in developing student-centred, participatory approaches. The TESS-India OERs provide teachers with a companion to the school textbook. They offer activities for teachers to try out in their classrooms with their students, together with case studies showing how other teachers have taught the topic and linked resources to support teachers in developing their lesson plans and subject knowledge.*

*TESS-India OERs have been collaboratively written by Indian and international authors to address Indian curriculum and contexts and are available for online and print use (http://www.tess-india.edu.in/). The OERs are available in several versions, appropriate for each participating Indian state and users are invited to adapt and localise the OERs further to meet local needs and contexts.*

*TESS-India is led by The Open University UK and funded by the UK government.*

***Video resources***

*Some of the activities in this unit are accompanied by the following icon:* *. This indicates that you will find it helpful to view the TESS-India video resources for the specified pedagogic theme.*

*The TESS-India video resources illustrate key pedagogic techniques in a range of classroom contexts in India. We hope they will inspire you to experiment with similar practices. They are intended to complement and enhance your experience of working through the text-based units, but are not integral to them should you be unable to access them.*

*TESS-India video resources may be viewed online or downloaded from the TESS-India website, http://www.tess-india.edu.in/). Alternatively, you may have access to these videos on a CD or memory card.*

*Version 2.0 LL11v1*
*Assam*

*Except for third party materials and otherwise stated, this content is made available under a Creative Commons Attribution-ShareAlike licence: http://creativecommons.org/licenses/by-sa/3.0/*

*TESS-India is led by The Open University UK and funded by UK aid from the UK government*

## এই গোটটো কিহৰ বিষয়ে (What this unit is about)

এই গোটটো হৈছে নাগৰিকত্বৰ ওপৰত এটা বিষয়কেন্দ্ৰিক শ্ৰেণী প্ৰকল্পৰ পৰিকল্পনাৰ পথ প্ৰদৰ্শক। এই গোটটোত আন্তঃ সংযোগ এলানি ত্ৰি য়া-কলাপৰ আঁচনি প্ৰস্তুত আৰু নিৰীক্ষণৰ বিষয়ে বৰ্ণনা কৰা হৈছে যাতে, বিদ্যালয়ৰ ভিতৰে বাহিৰে অৰ্থপূৰ্ণ, যোগাযোগকাৰী কাৰ্যত ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰোঁতে সকলোকে সামৰি ল'ব পৰা আৰু সকলোকে বিবেচনাৰ মাজলৈ আনি কাৰ্যত সেইবোৰ প্ৰতিফলিত হোৱাত উৎসাহিত কৰে।

## এই গোটটোৰ পৰা কি শিকিব পাৰিব (What you can learn in this unit)

- আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলৰ নাগৰিকত্বৰ দক্ষতা বৃদ্ধিৰ বাবে এটা বিষয়কেন্দ্ৰিক প্ৰকল্প কেনেকৈ পৰিকল্পনা আৰু সংগঠিত কৰিব পাৰিব।
- প্ৰকল্পৰ ভিতৰত ভাষা আৰু সাক্ষৰতাক ভিত্তি কৰি বিস্তৃত ত্ৰি য়া-কলাপক সংঘবদ্ধ কৰাৰ সুযোগ কেনেকৈ চিনাক্ত কৰিব পাৰিব।
- নাগৰিকত্বৰ লগত ভাষা আৰু সাক্ষৰতা দুয়োটাৰে সম্পৰ্কৰ লগত ছাত্ৰ-ছাত্ৰীসকলৰ শিকনক কেনেকৈ নিৰীক্ষণ কৰিব পাৰিব।

## এই পদ্ধতিটো কিয় গুৰুত্বপূৰ্ণ (Why this approach is important)

এটা বিষয়কেন্দ্ৰিক প্ৰকল্পই ছাত্ৰ-ছাত্ৰীক এই বিষয়বোৰ উদ্‌ঘাটনৰ সুবিধা দিয়ে

- বিষয়টোৰ প্ৰতি আগ্ৰহী হোৱাত উদগনি দিয়ে
- বিভিন্ন বিষয়ক একত্ৰিত কৰাত
- শ্ৰৱণ, কথন, পঠন আৰু লিখন দক্ষতাক একত্ৰিত কৰি উদ্দেশ্যধৰ্মী সহযোগী ত্ৰি য়া-কলাপত তেওঁলোকক (ছাত্ৰ-ছাত্ৰী) জড়িত কৰি ৰখাত।

পাঠ্যপুথি আৰু পাঠ্যত্ৰ মক কল্পনাপ্ৰসূত আৰু স্মৰণীয় কৰি তুলিবৰ বাবে প্ৰকল্পবোৰ হৈছে একো একোটা উপায়। নাগৰিকত্বক আলোকপাত কৰা প্ৰকল্পৰ অতিৰিক্ত সুবিধা হ'ল, ই সমাজৰ মূল্য আৰু দায়িত্ববোধৰ প্ৰতি ছাত্ৰ-ছাত্ৰীক সজাগ কৰি তোলে। তেতিয়া তেওঁলোকৰ অন্যান্য বি ⁄াস (ধৰ্মীয়, সামাজিক ইত্যাদি) আৰু চিন্তাধাৰাৰ প্ৰতি সন্মান বাঢ়ে। তেনেদৰে, তেওঁলোকৰ মনত বহল শৈক্ষিক লক্ষ্য, মানৱ অধিকাৰ আৰু কৰ্তব্যৰ সম্পৰ্ক, স্বাধীনতা আৰু সমতাৰ প্ৰতিফলন ঘটে। এনেদৰে, তেওঁলোকে স্কুলৰ শিকনক ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ লগত সংযুক্ত কৰে।

## ১) ভাষা, সাক্ষৰতা আৰু নাগৰিকত্বৰ বিষয়ে চিন্তা (1 Thinking about language, literacy and citizenship)

### ত্ৰি য়া-কলাপ ১ ঃ ভাষা, সাক্ষৰতা আৰু নাগৰিকত্বৰ বিষয়ে চিন্তা (Activity 1: Thinking about language, literacy and citizenship)

সহকৰ্মী এজনৰ লগত ১ নং সমলটো পঢ়ি চাওক। এই নথিপত্ৰবোৰৰ লগত ইতিমধ্যে আপুনি পৰিচিত হ'ব পাৰে। আপুনি যদিও আৰম্ভণিৰ পৰা শেষলৈকে পঢ়িছে তথাপি আকৌ এবাৰ পঢ়ক আৰু তলৰ প্ৰ ⁄বোৰৰ উত্তৰৰ ওপৰত টোকা প্ৰস্তুত কৰক।

- এজন ভাল নাগৰিকে কিধৰণৰ ব্যৱহাৰ প্ৰদৰ্শন কৰিব?
- এজন ভাল নাগৰিক হোৱাত বিদ্যালয়ে ছাত্ৰ-ছাত্ৰীক কিধৰণে সহায় কৰিব পাৰে?
- ছাত্ৰ-ছাত্ৰীসকলক ভাল নাগৰিক হোৱাত কিধৰণৰ ভাষা আৰু সাক্ষৰতাৰ দক্ষতাই সহায় কৰিব পাৰে?

আপোনাৰ চিন্তাধাৰা সহকৰ্মীৰ লগত আলোচনা কৰক।

এতিয়া আপোনাৰ চিন্তাধাৰা আমাৰ সৈতে তুলনা কৰি চাওক।

### সু-নাগৰিক (Good citizens) ঃ

- সেইজন যিজনে তেওঁলোকৰ জ্ঞান আৰু দক্ষতাক ব্যৱহাৰ কৰি, সমাজ আৰু পৃথিৱীৰ বাবে অৱিহণা যোগোৱায়
- যিয়ে উদ্বেগ চিন্তাৰ বিষয়ক লৈ মাত মাতিবলৈ সাজু থাকে আৰু সমাধানৰ পথ দেখুৱায়

- চিন্তাশীল, সকলোকে সামৰি ল'ব পৰা আৰু সুবিবেচক/সহানুভূতিশীল
- যিয়ে নিজা বি ধাসৰ ভিত্তিত কাৰ্য সম্পাদন কৰে।

তলত দিয়া সুযোগবোৰ প্ৰদান কৰি এজন ভাল নাগৰিক হোৱাত বিদ্যালয়ে ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰি এটা মুখ্য ভূমিকা পালন কৰে ঃ

- কঠিন বিষয়বোৰ (issues) বুজিবলৈ আৰু বিশ্লেষণ কৰিবলৈ
- ন্যায় আৰু নীতিসন্মতভাৱে সমস্যাৰ সমাধান দিবলৈ
- আনৰ কথা ধৈৰ্য সহকাৰে শুনিবলৈ
- তেওঁলোকৰ বি ধাস আৰু চিন্তাক সন্মান সহকাৰে দাঙি ধৰিবলৈ
- বিভিন্ন ধৰণৰ ব্যক্তি ৰে গঠিত দলৰ লগত ইতিবাচক ভাবেৰে মত বিনিময় কৰিবলৈ।

ভাষা আৰু সাক্ষৰতাৰ দক্ষতাই ছাত্ৰ-ছাত্ৰীসকলক এনেবোৰ দক্ষতা বৃদ্ধিৰে ভাল নাগৰিক হোৱাত সহায় কৰিব পাৰে ঃ

- ছবি, বক্তব্য বা লেখাৰ ৰূপত পঠন, বোধ, বিশ্লেষণ আৰু তথ্যৰ বিশ্লেষণ -
- মতামতৰ পৰা সত্যক পৃথকীকৰণ
- প্ৰমাণ সংগ্ৰহ আৰু মূল্যায়ন
- ব্যাখ্যা, সংক্ষিপ্তকৰণ আৰু ভৱিষ্যৎ বাণী কৰা
- বিষয়বোৰ আলোচনা, আনৰ বক্তব্য শুনা আৰু নিজা দৃষ্টিভংগী প্ৰকাশ কৰা
- কথাৰে প্ৰকাশ কৰি সঁহাৰি জনাব পৰাকৈ প্ৰ ্ন সোধা
- সঠিক বা গ্ৰহণযোগ্য আচৰণেৰে আনক পতিয়ন নিওঁৱা
- প'ষ্টাৰ বনোৱা, চিঠি লেখা আৰু বিভিন্নধৰণৰ দৰ্খাস্তৰ নক্সা প্ৰস্তুত
- ছবি বা প্ৰতিবিম্ব, বক্তব্য বা লিখিতৰূপেও বেলেগ বেলেগ দৰ্শকলৈ তথ্য বিতৰণ।

যদিও, নাগৰিকত্ব সম্পৰ্কীয় বহুতো বিষয় গভীৰ হয়, তথাপি আনন্দদায়ক আৰু সকলোকে জড়িত কৰিব পৰাকৈ এই বিষয়বোৰ সজাই তোলা সম্ভৱ।

এতিয়া আপুনি এগৰাকী শিক্ষয়িত্ৰীৰ বিষয়ে পঢ়ক যিয়ে গ্ৰাম্য সমাজৰ ওপৰত নিজৰ শ্ৰেণীত এটা প্ৰকল্প লৈছিল।

আপুনি এই ঘটনা অধ্যয়ন কৰোঁতে ছাত্ৰ-ছাত্ৰীয়ে আয়ত্ত কৰা ভাষা আৰু সাক্ষৰতাৰ দক্ষতাৰ বিষয়ে ভাবক আৰু তেওঁলোকে শিকা নাগৰিকত্বৰ দিশটোৰ বিষয়েও চিন্তা কৰক।

## ঘটনা অধ্যয়ন ১ঃ আমাৰ গ্ৰাম্য সমাজ (Case Study 1: Our village community)

ৰেখা কলিতা দুলীয়াজানৰ এখন গাঁৱৰ বিদ্যালয়ত পঢ়োৱা শিক্ষয়িত্ৰী। ইয়াত তেওঁ পাঠলানিৰ প্ৰথম এটা অংশ বৰ্ণনা কৰিছে, যিটোৱে সমাজৰ ধাৰণাৰ ওপৰত এটা প্ৰকল্প শ্ৰেণীকোঠাত প্ৰস্তুত কৰিছে।

### পাঠ ১ ঃ আমাৰ গ্ৰাম্য সমাজখনৰ বিষয়ে ভাবক (Lesson 1: Thinking about our village community)

গ্ৰাম্য সমাজখনত গঢ়ি উঠা মানুহ আৰু ঠাইখনৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক ভাবিবলৈ দিয়া কাৰ্যৰে মই মোৰ প্ৰকল্পৰ কাম আৰম্ভ কৰিছিলোঁ। ছাত্ৰ-ছাত্ৰীক সহায় কৰিবৰ বাবে মই প্ৰত্যেকৰে এটা দুটা উদাহৰণ দাঙি ধৰিছিলোঁ। যেনে - মন্দিৰ আৰু বিদ্যালয়ৰ লগতে গাঁৱৰ গাঁওবুঢ়া নিৰ্মল ৰাজবংশী আৰু চিলাই কাম কৰা সবিতা চত্ৰ ৱৰ্তী।


পাছত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ভাব বিনিময়ৰ বাবে মই চাৰিটা দল গঠন কৰিলোঁ। ১৫ মিনিটৰ পাছত, মই গোটেই শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰত্যেকৰে পৰা নিজৰ পৰামৰ্শ বিচাৰিলোঁ। তেওঁলোকৰ পৰা অহা কথাবোৰ মই ব'ৰ্ডত লিখিলোঁ যদিও সেইবোৰ বেলেগে বেলেগে দুটা ভাগত লেখা ভাল হ'ব নে একেলগে লিখা ভাল হ'ব সেই বিষয়ে আলোচনা কৰিলোঁ।

তাৰপাছত কাঠি, শিলগুটি, গছৰ পাত, শস্যৰ গুটি, ইত্যাদিৰে গাঁওখনৰ বৈশিষ্ট্যবোৰ প্ৰকাশ পোৱাকৈ এখন সমাজৰ মানচিত্ৰ বিদ্যালয়ৰ চোতালৰ মজিয়াত তৈয়াৰ কৰিবলৈ দিলোঁ।

শেষ হোৱাৰ পাছত প্ৰতিটো দলে শ্ৰেণীত মানচিত্ৰখন উপস্থাপন কৰিলে। তেওঁলোকে মানচিত্ৰত বহুওৱা স্থানসমূহ যেনে- ধৰ্মীয় স্থান, বজাৰ, দোকান, খেলপথাৰ, ঘৰ, পানীৰ উৎস আদি বৰ্ণনা কৰিলে লগতে এইবোৰৰ লগত জড়িত দুই এজন মানুহৰ নামো প্ৰকাশ

কৰিলে। এইটো বৰ আমোদজনক আৰু বিচিত্ৰ আছিল। প্ৰকল্পটোৰ এটা অংশৰ ৰেক'ৰ্ড হিচাপে ৰাখিবলৈ প্ৰতিখন মানচিত্ৰৰ ফটো মোৰ ম'বাইল ফোনটোৰে তুলি ৰাখিছিলোঁ।

(Adapted from Malone, 2010)




চিত্ৰ ১ ঃ গ্ৰাম্য সমাজৰ মানচিত্ৰৰ উদাহৰণ

## **পাঠ ২ ঃ সমাজত একেলগে বাস কৰা** (Lesson 2: Living together in a community)

পাছৰ সপ্তাহত মই তেওঁলোকৰ আগত সমাজত একেলগে কাম কৰাৰ অৰ্থ ব্যাখ্যা কৰিলোঁ। শ্ৰেণীৰ সহপাঠীসকলৰ লগত একেলগে কাম কৰা আৰু কথা শিকাত উৎসাহ যোগাবৰ বাবে মই আগৰ দৰে তেওঁলোকক বিভিন্ন দলত ভাগ কৰি দিলোঁ। ডাঙৰ কাগজত এটাকৈ প্ৰ.ন লিখি প্ৰতিটো দলকে ভগাই দিলোঁ। মই তেওঁলোকক দিয়া প্ৰ.নবোৰ আছিল -

১. আমাৰ সমাজত ল'ৰা-ছোৱালীবোৰে একেলগে কিধৰণৰ কাম কৰে?
২. আমাৰ সমাজত মহিলা সকলে একেলগে কিধৰণৰ কাম কৰে?
৩. আমাৰ সমাজত পুৰুষসকলে একেলগে কিধৰণৰ কাম কৰে?
৪. কিধৰণৰ কামত পুৰুষ, মহিলা আৰু ল'ৰা ছোৱালীক জড়িত হৈ কৰে?
৫. আমাৰ সমাজত কাৰোবাৰ অসুখ হলে সমাজে তেওঁক কেনেকৈ সহায় কৰে?
৬. কোনো এজন ব্যক্তিৰ মৃত্যু হলে সমাজৰ মানুহে কি কৰে?

মই প্ৰতিটো দলকে প্ৰ.নটো আলোচনা কৰিবৰ বাবে ২০ মিনিটকৈ সময় দিলোঁ। লগতে তেওঁলোকৰ ধাৰণাটোক ছবিৰে দেখুৱাবলৈ দিলোঁ আৰু এটা টোকাও লিখিবলৈ দিলোঁ।

দলবোৰে কামখিনি শেষ কৰাৰ পাছত ছবিবোৰ মই বেৰত লগাই দিলোঁ। তাৰ পাছত প্ৰত্যেক দলৰ পৰা এজনক মনোনীত কৰি সেই ছাত্ৰজনক দলৰ ধাৰণাবোৰ বাকীসকলৰ লগত বিনিময় কৰিবলৈ ক'লো। এইটো বৰ আমোদজনক আলোচনা আছিল। মই আলোচনাবোৰত বহল সমাজৰ উপ-জাতি বা সম্প্ৰদায় সম্পৰ্কে থকা ভিত্তিহীন ধাৰণাবোৰো উলিয়াই ল'লো আৰু এই উপজাতি বা সম্প্ৰদায়ে কৰা কামবোৰৰ প্ৰকৃতি সম্পৰ্কে আলোচনা কৰিলোঁ।

## **পাঠ ৩ ঃ সামাজিক জীৱনৰ সুবিধা আৰু অসুবিধাবোৰ** (Lesson 3: The advantages and disadvantages of community life)

ছাত্র-ছাত্রীসকলক তলত দিয়া প্র .বোৰৰ উত্তৰ টোকা প্ৰস্তুত কৰিবলৈ দিলোঁ। এই কাম মই তেওঁলোকক ঘৰুৱা কাম (home work) হিচাপে দিলোঁ।

- সমাজ এখনত বাস কৰাৰ সুবিধাবোৰ কি কি?
- অসুবিধাবোৰ কি হ'ব পাৰে?
- সমাজত অকলশৰীয়া অনুভৱ কৰা মানুহক কাষ চপাই আনিবৰ বাবে সমাজে কেনেকৈ সহায় কৰিব পাৰে?

পাছৰ দিনা, ছাত্র-ছাত্রীসকলক দুজন দুজনকৈ বহুৱালোঁ আৰু তেওঁলোকক এই ঘৰুৱা কামৰ আলোচনা কৰিবলৈ দিলোঁ। শেষত সকলোকে একেলগে আলোচনা কৰিবলৈ দিলোঁ যাতে আগতে কথা নোকোৱা ছাত্র-ছাত্রীয়েও কথা কোৱাৰ সুযোগ পায়।



চিত্ৰ ২ ঃ শ্ৰেণীকোঠাত যুৰীয়া কাৰ্য

## পাঠ ৪ ঃ সমাজৰ চৰকাৰ (Lesson 4: Community government)

দায়িত্বশীল পদৰীত থকা গাঁৱৰ বিভিন্ন মানুহৰ নামৰ তালিকা প্ৰস্তুতিৰে আমি এই পাঠৰ আৰম্ভ কৰিছিলোঁ। মোৰ ছাত্র-ছাত্রীসকলে বিভিন্ন ভূমিকাত থকা বিভিন্ন মানুহৰ নাম লিখিছিল। তেওঁলোকে মোৰ দৰে শিক্ষককো সামৰি লৈছিল। তেওঁলোকৰ ধাৰণাবোৰ মই ব'ৰ্ডত লিখাতকৈ দুজন ছাত্ৰক স্ব-ইচ্ছাই সেইবোৰ লিখিবলৈ আহ্বান কৰিছিলোঁ। এই কামত তেওঁলোকে খুউব গৌৰৱ অনুভৱ কৰিছিল আৰু যিমান পাৰে সুন্দৰ আখৰ লিখিছিল। তেওঁলোকে ক'ৰবাত বানান ভুল কৰিলে তেওঁলোকৰ সহপাঠীয়ে শুধৰাই দিছিল।

তাৰপাছত তেওঁলোকক দুজন দুজনকৈ লগ লগাই পাছৰ দুটা প্র .ৰ বাবে ১৫ মিনিট সময় দিলোঁ।

- সমাজৰ মানুহৰ মাজৰ সহযোগিতাৰ নিৰীক্ষণ কৰা দায়িত্ব কাৰ?
- কোনো কথাত মানুহবোৰ অসন্মত হ'লে কি হয়? মতানৈক্যবোৰ নিষ্পত্তি কৰাত তেওঁলোকক কোনে সহায় কৰে?

গোটেই শ্ৰেণীটোতে আলোচনা চলিল। আমি স্থানীয় চৰকাৰ (প্ৰশাসন) ৰ ধাৰণাটোৰ ওপৰত কথা পাতিলোঁ আৰু আমাৰ গাঁৱত এনেকৈ কাম কৰাৰ প্ৰক্ৰি য়াক পৰীক্ষা কৰি চালোঁ। লগে লগে, এই কামবোৰৰ সমাজৰ সদস্যই দায়িত্ব লোৱা প্ৰক্ৰি য়াটোও আলোচনা কৰিলোঁ।

শেষত, মই ছাত্র-ছাত্রীসকলক সমাজৰ বাবে সক্ৰি য়ভাৱে তেওঁলোকে কি অৱদান আগবঢ়াব পাৰে সেই বিষয়ে ভাবিবলৈ দিলোঁ। মই প্ৰত্যেককে এটুকুৰাকৈ কাগজ দিলোঁ য'ত তেওঁলোকে একোটাকৈ বাক্য লিখিছিল যিটো তেওঁলোকে ইচ্ছা কৰিলে ছবিৰেও দেখুৱাব পাৰে। তাৰপাছত সকলোৰে দেখাকৈ মই বাক্যবোৰ বেৰত লগাই দিলোঁ।

ছাত্র-ছাত্রীসকলে স্থানীয় সমাজৰ ওপৰত কৰা এটা প্ৰকল্পত নিজক নিয়োজিত কৰিবনে নাই ভাবি প্ৰথমতে মই সামান্য অস্থিৰ হৈছিলোঁ। যাহওক, মই চিন্তা কৰিবলগীয়া নহ'ল কাৰণ বিষয়টোৱে বহুত আমোদজনক, চিন্তা গধুৰ অৱদান আগবঢ়ালে। যিসকল ছাত্র-ছাত্রী সাধাৰণতে শ্ৰেণীত শান্ত হৈ থাকে তেওঁলোকেও অৱদান আগবঢ়াইছে। চাৰিওটা পাঠতে বিভিন্ন যোৰ বা দলবোৰত সহযোগিতা আৰু সন্মানৰ মনোভাৱ দেখি মই বৰ সন্তুষ্ট হৈছিলোঁ।

### চিন্তন (Pause for thought)

ওপৰত বৰ্ণনা কৰা প্ৰতিটো পাঠৰ বাবে তলৰ প্র .বোৰ বিবেচনা কৰক ঃ

- ভাষা আৰু সাহিত্যৰ কি দক্ষতা ৰেখা কলিতাৰ ছাত্র-ছাত্রীয়ে নিয়োগ কৰিছিল?
- নাগৰিকত্বৰ কোনটো দিশৰ বিষয়ে তেওঁৰ ছাত্র-ছাত্রীয়ে শিকন আহৰণ কৰিলে?
- পাঠবোৰৰ বিষয়বস্তুৰ সম্পৰ্কত আচৰিত হ'বলগীয়া কিবা আছিলনে?
- ইয়াৰ পৰা কিবা ধাৰণা (idea) আপুনি নিজৰ শ্ৰেণীকোঠাৰ বাবে ল'ব পাৰেনে?

## ২) নাগৰিকত্বৰ প্ৰকল্পৰ পৰিকল্পনা (2 Planning a citizenship project)

১ নং ঘটনা অধ্যয়নত দেখা যায় যে, বিষয়কেন্দ্ৰিক একোটা প্ৰকল্প কেইবা সপ্তাহজুৰি বহুসংখ্যক পাঠলৈ সম্প্ৰসাৰিত হ'ব পাৰে। এই গোটত বৈ যোৱা ত্ৰি য়া-কলাপবোৰৰ নাগৰিকত্ব পৰিকল্পনাৰ প্ৰকল্পৰ বাস্তৱ পথ প্ৰদৰ্শক হ'ব। আপোনাৰ শ্ৰেণীৰ ভাষা আৰু সাহিত্য সম্পৰ্কিত উদ্দেশ্য সাধনত এই পৰিকল্পনা সন্নিবিষ্ট কৰিব পাৰে। ত্ৰি য়া-কলাপক ৬ টা ভাগত ভাগ কৰা হৈছে (ত্ৰি য়া-কলাপ ২-৭) প্ৰথমতে গোটেই ত্ৰি য়া-কলাপবোৰ সাৱধানে পঢ়ক আৰু তাৰপাছত এটা এটা খণ্ড কৰি আপোনাৰ নিৰ্বাচিত বিষয়ত কাম কৰি যাওক।

### ত্ৰি য়া-কলাপ ২ ঃ প্ৰকল্পৰ বাবে এটা বিষয় চিনাক্তকৰণ (Activity 2: Identifying a topic for the project)

আপোনাৰ শ্ৰেণীৰ বাবে এজন সহকৰ্মীৰ লগত নাগৰিকত্ব সম্পৰ্কীয় বিষয়ৰ এখন তালিকা প্ৰস্তুত কৰক। বিদ্যালয় আৰু সমাজৰ প্ৰসংগৰ খাপ-খোৱাকৈ তলিকাখন অন্তৰ্ভুক্ত হ'ব পাৰে। আমি তলত কিছুমান বিষয় দিছোঁ।

বিদ্যালয়ক অধিক আকৰ্ষণীয় কৰিবৰ বাবে উপায়

- গাঁওখন পৰিষ্কাৰকৈ ৰখা
- গাঁৱত নৱজাতক আৰু বৃদ্ধলোকে কম্বল পোৱা
- সমাজৰ অকলশৰীয়া, অক্ষম আৰু ৰুগীয়ালোকক সহায় কৰা
- স্থানীয়ভাৱে বিত্ৰ ী হোৱা সামগ্ৰী উৎপাদনেৰে পুঁজি গঠন কৰা
- এলেকাটোত অংগনবাদী বিদ্যালয় বা ঘৰৰ বাবে শিশু গ্ৰন্থ সংগ্ৰহ কৰা
- দীৰ্ঘদিন ধৰি ব্যৱহাৰ কৰিব নোৱাৰা কাগজ, আহাৰ আৰু ঘৰুৱা সামগ্ৰী পুনৰ ব্যৱহাৰৰ উপযোগী কৰা
- আৱৰ্জনা পেলোৱা ঠাইৰ পৰা সৃষ্টি হোৱা স্থানীয় সমস্যাৰ বিষয়ে
- শক্তিৰ সঞ্চয়
- পানী সংৰক্ষণ
- পানীৰ পৰা হোৱা ৰোগ প্ৰতিৰোধ
- কন্যা সন্তান আৰু মহিলাৰ বাবে স্বাস্থ্যৰ যত্ন উন্নত কৰা লগতে বেছিকৈ মহিলা স্বাস্থ্যকৰ্মী নিয়োগ কৰা
- ছাত্ৰতকৈ ছাত্ৰীয়ে ঘৰুৱা কাম বেছিকৈ কৰিব লাগে আৰু বাহিৰত মুকলিকৈ খেলিব নোৱাৰে
- চিকাৰ কৰাৰ বাবে জন্তু লুপ্ত হোৱাৰ সমস্যা
- পৰিৱেশৰ ওপৰত বৰ্তমান আৰু ভৱিষ্যত জলবায়ুৰ পৰিবৰ্তনৰ প্ৰভাৱ
- স্থানীয় উপ-ভাষা ব্যৱহাৰৰ বাবে পৃষ্ঠপোষকতা কৰা

আপোনাৰ তালিকাৰ কোনটো বিষয় বেছি আপোনাৰ বাবে আৰু আপোনাৰ শ্ৰেণীৰ বাবে খাপ খাই পৰিব?

আপোনাৰ সিদ্ধান্ত ল'ব পৰাকৈ কিছুমান কাৰক হৈছে -

- ○ বয়সৰ লগত বিষয়টো খাপ খাইছেনে, সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰাসংগিক আৰু আমোদজনক হৈছেনে?
- ○ বিদ্যালয়ৰ পাঠ্যত্ৰ মৰ বিষয়বস্তুৰ লগত সেইবোৰৰ কিমান মিল আছে?
- ○ কি কি বিষয়- যেনে গণিত, পৰিৱেশ বিজ্ঞান, বিজ্ঞান বা সমাজ অধ্যয়ন সেইবোৰে আকোঁৱালি লৈছে?
- ○ সামগ্ৰীকভাৱে বিষয়বোৰ সংবেদনশীল নে বিতৰ্কিত?
- ○ আপোনাৰ শ্ৰেণীত সেইবোৰ কৰিবলৈ যাওঁতে আপুনি নিজে কিমান দৃঢ় আৰু সহজ অনুভৱ কৰিছে?

আপুনি নিৰ্বাচন কৰা বিষয়বোৰে ভাষা আৰু সাহিত্যৰ বিকাশৰ বাবে কি কি সুযোগ দিছে তাৰ এখন তালিকা প্ৰস্তুত কৰক।

আপুনি আৰম্ভ কৰিবৰ বাবে ইয়াত কিছুমান পৰামৰ্শ দিয়া হৈছে -

- বিষয়টো (issue) আৰু তাৰ কাৰণবোৰ বুজিবলৈ বাতৰিকাকত নাইবা অন্য লেখা পঢ়া।
- স্থানীয় ব্যক্তি এজনৰ সাক্ষাৎকাৰ লোৱা

- এখন তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰা
- বাতৰিকাকতৰ সম্পাদক বা ৰাজনৈতিক নেতালৈ শ্ৰেণীৰ পৰা এখন পত্ৰ লেখা
- প্ৰচাৰ পত্ৰিকা বা পোষ্টাৰ প্ৰস্তুত কৰা আৰু বিতৰণ কৰা
- সজাগতা সভাৰ আয়োজন কৰা, আৱেদনৰ আৰম্ভ কৰা নাইবা পুঁজি সংগ্ৰহৰ ব্যৱস্থা কৰা
- বিদ্যালয়ৰ আন ছাত্ৰ-ছাত্ৰীসকলৰ আগত দেখুৱাবৰ বাবে নাইবা স্থানীয় ৰাইজৰ আগত দেখুৱাবৰ বাবে বিষয়টোৰ ওপৰত নাটক লেখা।

## ৩) নাগৰিকত্বৰ প্ৰকল্পত আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলক নিয়োজিত কৰক (3 Engaging your students in a citizenship project)

ছাত্ৰ-ছাত্ৰীসকলক মাতি তেওঁলোকক নিজকে এটা বিষয় বাছিবলৈ দিয়ক, নিৰ্বাচিত বিষয় পছন্দ কৰিবলৈ দিয়ক, নাইবা আপোনাৰ নিজৰ পছন্দ বিষয় দিয়ক, শ্ৰেণী প্ৰকল্পত আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলক নিয়োজিত কৰাৰ প্ৰক্ৰিয়াৰ এক অংশ হিচাপে তেওঁলোকৰ ধাৰণা আৰু দিহা পৰামৰ্শ শুনা আৰু সঁহাৰি জনোৱাতো অন্তৰ্ভূক্ত হ'ব লাগে।

বিষয়টোৰ বাছনিৰ ক্ষেত্ৰত আপুনি যি পদ্ধতিয়েই গ্ৰহণ নকৰক কিয়, ই ছাত্ৰ-ছাত্ৰীৰ লগত নাগৰিকত্বৰ ধাৰণাৰ আলোচনাৰ জৰিয়তে আৰম্ভ কৰাত সহায়ক হ'ব।

### ক্ৰিয়া-কলাপ ৩ ঃ শ্ৰেণী প্ৰকল্পত আপোনাৰ ছাত্ৰ-ছাত্ৰী নিয়োজন (Activity 3: Engaging your students in a class project)


ছাত্ৰ-ছাত্ৰীসকল যে এটা শ্ৰেণী প্ৰকল্প কৰিবলৈ গৈ আছে সেই কথাটো তেওঁলোকৰ আগত ব্যাখ্যা কৰক। এই প্ৰকল্পত কি জড়িত হ'ব সেই বিষয়ে তেওঁলোকৰ পৰামৰ্শ ল'ব। শ্ৰেণীটোৰ ছাত্ৰ-ছাত্ৰীক দলত ভাগ কৰক। প্ৰতিটো দলক একোখিলাকৈ কাগজ দিয়ক। তেওঁলোকৰ আলোচনা অনুযায়ী বা তেওঁলোকে নিৰ্বাচন কৰা বিষয় বা একোটা প্ৰশ্ন কাগজখিলাত সন্নিৱিষ্ট কৰক। উদাহৰণস্বৰূপে -

- কেনেদৰে আমি আমাৰ স্কুলখন আকৰ্ষণীয় কৰি সজাব পাৰিম?
- আমি আমাৰ গাঁওখনৰ কেনেকৈ উন্নতি সাধন কৰিব পাৰিম?

আলোচনাৰ অন্ততঃ এটা হলেও নিজৰ চিন্তা বা ধাৰণা প্ৰকাশ কৰিবলৈ ছাত্ৰ-ছাত্ৰী সকলক কওক আৰু এইবোৰ কাগজত লিখি ৰাখক। সময় শেষ হোৱাৰ পাছত প্ৰতিটো দলৰ পৰা এজনকৈ আহি শ্ৰেণীটোক প্ৰতিপুষ্টি জনাব। ধাৰণাবোৰ ব'ৰ্ডত লিখি যাওক আৰু সহপাঠীৰ পৰামৰ্শ যে প্ৰত্যেকেই সন্মান সহকাৰে শুনিছে সেয়া নিশ্চিত কৰক।


তালিকাখন সম্পূৰ্ণ হোৱাত ছাত্ৰ-ছাত্ৰীসকলে আটাইতকৈ ভালপোৱা ধাৰণাটোৰ বিষয়ে দলত কথা পাতিবলৈ দিয়ক। যদি সঠিক হয়, শ্ৰেণীটোৰ ছাত্ৰ-ছাত্ৰীক একেলগ কৰি নিজৰ মতামত জনাবলৈ দিয়ক।

এনেদৰে হোৱা আলোচনাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে জনা বিষয়টোৰ (issue) বিষয়ে ভাবি, নিজৰ মতামত দি, নাইবা চুক্তিপত্ৰ সম্পাদন কৰি আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে নাগৰিকত্ব দক্ষতাৰ বিকাশ সাধন কৰিব। শ্ৰৱণ, আলোচনা, টোকা লিখা আৰু প্ৰতিপুষ্টি জনোৱাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ ভাষা আৰু সাহিত্যৰ বিকাশ সাধন হ'ব। গোটেই প্ৰকল্প শিকনৰ দুটা ধাৰা অনুসৰণ কৰা উচিত।



### চিন্তন (Pause for thought)

- ছাত্ৰ-ছাত্ৰীৰ লগত এই ক্ৰিয়া-কলাপ কৰি তেওঁলোকৰ বিষয়ে আপুনি কি শিকিলে?
- শ্ৰেণীটোৰ গোটেই ছাত্ৰ-ছাত্ৰীসকলক জড়িত কৰাৰ ধাৰণা (idea) কৌশল জানি ল'বৰ বাবে সমল ২ চাওক।




### ভি.ডি.অ'ঃ সকলোকে জড়িত কৰা (Video: Involving all)

### প্ৰকল্পটোৰ বাবে তথ্যৰ উৎস চিনাক্তকৰণ (Identifying sources of information for the project)

বিষয় নিৰ্বাচনৰ বিভিন্ন দিশ উলিয়াবৰ বাবে পৰামৰ্শ বিচাৰি প্ৰকল্পৰ দ্বিতীয় পৰ্যায়ত আপুনি ছাত্ৰ-ছাত্ৰীক আহ্বান জনাওক।

## ক্রি য়া-কলাপ ৪ ঃ বিষয়ৰ অনুসন্ধান (Activity 4: Researching the topic)

কৃষ্ণফলকত তেওঁলোকে উত্থাপন কৰা তথ্যৰ সকলো উৎস লিখি ৰাখক। বিদ্যালয়ৰ টোকাবহী, এটা পুথিভঁৰাল, এখন বাতৰিকাকত, ইন্টাৰনেট, এটা স্বাস্থ্য কেন্দ্ৰ, প'ষ্টাৰ, প্ৰচাৰ পত্ৰিকা, স্থানীয় চৰকাৰী অফিচ বা স্থানীয় লোক এই উৎসই সামৰি ল'ব পাৰে।













**চিত্ৰ** ৩ ঃ তথ্যৰ উৎস ঃ ওপৰত বাওঁফালে এখন বাতৰিকাকত আৰু সোঁফালে স্থানীয় লোক। ছবিখনৰ তলত সোঁ আৰু বাওঁফালে প'ষ্টাৰ

উদাহৰণস্বৰূপে যদি ছাত্ৰ-ছাত্ৰীয়ে পানীৰ পৰা হোৱা ৰোগৰ বিষয়ে শিকাতো পছন্দ কৰে, তেওঁলোকে পানী পৰিষ্কৰণৰ স্থানীয় ঠাইলৈ গৈ চাব পাৰে আৰু, পূৰ্ব অনুমতি আৰু প্ৰয়োজনৰ দ্বাৰা পানী নিয়ন্ত্ৰণকাৰী এজন বিষয়াৰ সাক্ষাতকাৰ ল'ব পাৰে। বিকল্প হিচাপে তেওঁলোকে প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ পৰিদৰ্শন কৰিব পাৰে নাইবা, পানীৰ বিশুদ্ধিকৰণৰ বিষয়ে ক'বলৈ চিকিৎসালয় (হস্পিতেল) চাব পাৰে। পানীৰ পৰা হ'ব পৰা বিভিন্ন ৰোগৰ পৰা নিজকে কেনেকৈ বচাই ৰাখিব সেই বিষয়ে জানিবলৈ তথ্য সহকাৰে প্ৰচাৰ পত্ৰিকাৰ বিষয়ে প্ৰালোচনা কৰিব পাৰে।

এই অনুসন্ধানে বাতৰিকাকত পঢ়া, কিতাপ পঢ়া, প'ষ্টাৰ বা তথ্য সমৃদ্ধ প্ৰচাৰ পত্ৰিকা পঢ়া, স্থানীয় পাৰ্গত লোকে কোৱা কথা, প্ৰাসঙ্গিক ঠাই ফুৰা, কি পঢ়িলে, শুনিলে, দেখিলে সেইবোৰৰ বিষয়ে লিখি ৰখা এই আটাইবোৰকে ই সামৰি লয়। এনেকুৱা সকলো অনুসন্ধানে ভাষা আৰু সাহিত্যৰ বিভিন্নতাৰ দক্ষতাক সামৰি ল'ব।

# ৪) নাগৰিকত্ব প্ৰকল্পৰ ৰূপৰেখা (4 Outlining the citizenship project)


## ক্রি য়া-কলাপ ৫ ঃ প্ৰকল্পৰ চমু বিৱৰণ আৰু সূচী (Activity 5: Outlining and scheduling the project)

প্ৰকল্পটোৰ এটা সম্পূৰ্ণ বিস্তৃত পৰিকল্পনা কৰক। ইয়াৰ বাবে বিভিন্ন স্তম্ভৰ এখন টেবুল সুবিধাজনক হয়।

- আপুনি আশা কৰা মতেই প্ৰকল্পই সামৰি ল'ব পৰা সকলো ক্রি য়া-কলাপৰ এখন তালিকা প্ৰস্তুত কৰিবলৈ আৰম্ভ কৰক।
- মন কৰিব যাতে প্ৰতিটো ক্রি য়া-কলাপৰ লগত ভাষা শিকা আৰু শিকনৰ সুযোগ থাকে।
- গোটেই শ্ৰেণীটোৱে কোনটো ক্রি য়া-কলাপ ল'ব পাৰিব সিদ্ধান্ত লওক আৰু সৰু সৰু দলত ভগাই দিবৰ বাবে কোনটো বেছি উপযুক্ত হ'ব।
- প্ৰত্যেকটো ক্রি য়া-কলাপৰ বাবে আপোনাক কি কি প্ৰয়োজন হ'ব টোকা কৰি লওঁক। ইয়াত বিশেষ সমলবোৰ সন্নিৱিষ্ট হ'ব লাগিব- যেনে-স্থানীয় পাৰ্গত ব্যক্তিৰ লগত সম্পৰ্ক বা শ্ৰেণীলৈ আহিবৰ বাবে অনুমতি লোৱা ইত্যাদি। প্ৰতিটো ক্ষেত্ৰতে আপোনাক কিমান সময় লাগিব ঠিক কৰি লওক।

- পাছৰ কেইবা সপ্তাহত চলাই নিব পৰাকৈ আপুনি বিভিন্ন ক্রি য়া-কলাপৰ এলানি পাঠ প্ৰস্তুত কৰক আৰু সেইবোৰ সঠিকভাবে সজাই তোলক (ইটোৰ পাছত সিটোৰ ধাৰা ৰক্ষা কৰিব)।
- যেতিয়া আপুনি এই কাম শেষ কৰিব, প্ৰতিটো পাঠকে আপোনাৰ শিক্ষণ সময়ৰ লগত মিলাই লওক আৰু এইটো মনত ৰাখক যাতে পাঠ্যক্র মৰ অন্য বিষয়ৰ লগতো ই খাপ খায়। যিকোনো ধৰণৰ অবাঞ্চিত পৰিৱেশৰ বাবে আপুনি সময়-সূচীত বেলেগে অলপ অতিৰিক্ত সময় ৰাখিব পাৰে।
- যদি সহায়ক হ'ব বুলি ভাবে তেন্তে এই পৰিকল্পনাৰ প্ৰক্রি য়াৰ বিষয়ে এজন সহকৰ্মীৰ লগত কথা পাতক।

মুখ্য সমল 'Planning lessons' ৰ আপুনি সহায় ল'ব পাৰে -



**ভি. ডি. অ' ঃ** পাঠৰ পৰিকল্পনা (Video: Planning lessons)

## ৫) আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে শিকা কথাবোৰৰ উপস্থাপন পদ্ধতি (5 Ways of presenting your students' learning)

### ক্রি য়া-কলাপ ৬ ঃ ছাত্ৰ-ছাত্ৰীয়ে শিকা কথাবোৰৰ উপস্থাপন (Activity 6: Presenting your students' learning)

প্ৰকল্পৰ গোটেই পাঠ্যক্র ম (course) ৰ শিকা কথাবোৰৰ বিনিময় কৰা আৰু উপস্থাপন কৰাৰ বহু পদ্ধতি আছে যিবোৰ ছাত্ৰ-ছাত্ৰীসকলে ব্যৱহাৰ কৰিব পাৰে। ব্যক্তিগত হিচাপেই হওক বা সমূহীয়া হিচাপেই হওক, ই এটা লিখিত সংবাদৰ আকাৰত, এখন প'ষ্টাৰ, শিল্পকৰ্ম, অভিনয়, গান, কাহিনী আৰু কবিতা নাইবা সমাজৰ কিবা কামৰ আকাৰত প্ৰকাশ পাব পাৰে।




**চিত্ৰ ৪ ঃ** ছাত্ৰ-ছাত্ৰীয়ে শিকা শিকনৰ বিভিন্ন উপস্থাপন শৈলী ঃ প'ষ্টাৰ (ওপৰৰ বাঁওফালে), সমাজে কৰা কাম (ওপৰৰ মাজত), লিখিত পাঠ (ওপৰৰ সোঁফালে), চিত্ৰশিল্প (তলৰ বাঁওফালে) আৰু এটি প্ৰদৰ্শন (তলৰ সোঁফালে)

বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰু শিক্ষকগোট পিতৃ-মাতৃ, গাঁৱৰ জ্যেষ্ঠজন, পঞ্চায়তীৰাজ নাইবা গাওঁবুঢ়া, আনকি চৰকাৰী প্ৰতিনিধিৰ সন্মুখত ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ শিকনসমূহ প্ৰদৰ্শন কৰিবলৈ ভাল পায়।

বাতৰি কাকতৰ বাবে সংবাদ বা এখন চিঠি লিখিবলৈ আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলক আপুনি উৎসাহিত কৰিব পাৰে যাতে তেওঁলোকৰ শিকনৰ বিষয়ে বৃহৎ সংখ্যক পাঠকে ইয়াক পঢ়িব পাৰে। এইবোৰ প্ৰদৰ্শন কৰি থকা বা তাৰ বিনিময় কৰি থকা সময়ত সম্ভৱ হলে আপুনি ছাত্ৰ-ছাত্ৰীৰ ফটো তুলিব।

## ক্রি য়া-কলাপ ৭ ঃ ছাত্র-ছাত্রীৰ শিকনৰ ওপৰত কিছু চিন্তা (Activity 7: Reflecting on your students' learning)

বিষয়ভিত্তিক প্ৰকল্প গ্ৰহণ কৰি নাগৰিকত্ব সম্পৰ্কে ছাত্র-ছাত্রীয়ে কি শিকিলে বুলি আপুনি ভাবে? তলত দিয়া কথাবোৰৰ কিবা জ্ঞান বা বোধ তেওঁলোকৰ হৈছে বুলি আপুনি পৰ্যৱেক্ষণ কৰিছিল নে?

- গণতন্ত্ৰ, ন্যায়, সমতা
- তেওঁলোকৰ বা তেওঁলোকৰ সমাজৰ বাবে গুৰুত্বপূৰ্ণ বুলি বিবেচিত কৰা কিছুমান সাম্প্ৰতিক বিষয়
- গোলকীয় সমাজৰ এজন সদস্য হিচাপে তেওঁলোকে নিজকে সচেতন কৰা
- সন্মান আৰু মৰ্যাদা সহকাৰে অন্য মানুহৰ প্ৰতি আচৰণ প্ৰদৰ্শন কৰা
- কোনো পৰিস্থিতিক নিয়ন্ত্ৰণ কৰিবলৈ শিকা
- ইজনে সিজনক দিহা পৰামৰ্শ দিয়া
- ইজনে সিজনক নিৰাপত্তা দিয়া

নাগৰিকত্ব সম্পৰ্কীয় আন কি জ্ঞান আৰু বোধ এই গোটেই সময়খিনিত আপুনি পৰ্যৱেক্ষণ কৰিলে? আপোনাৰ সকলো ছাত্র-ছাত্রীৰ প্ৰগতিৰ খতিয়ানত এই তথ্যবোৰ আপুনি কেনেকৈ লিখিলে?

বিষয়ভিত্তিক প্ৰকল্পৰ জৰিয়তে আপোনাৰ ছাত্র-ছাত্রীয়ে ভাষা আৰু সাহিত্যৰ বিষয়ে কি শিকিলে? তলত দিয়া কৌশলবোৰৰ কোনো এটা ছাত্র-ছাত্রীয়ে ব্যৱহাৰ কৰা আপুনি লক্ষ্য কৰিছিলনে?

- তথ্যৰ বাবে পঠন
- তেওঁলোকে কি পঢ়িলে, শুনিলে বা দেখিলে সেই বিষয়ে লিখন
- সাক্ষাৎকাৰৰ কৌশল (technique)
- তথ্যৰ মূল্যায়ন
- মতামত প্ৰকাশ
- যুক্তি সহকাৰে তৰ্ক কৰা
- উপস্থাপন কৰা
- অকথিত যোগাযোগ (Non-verbal).

আপোনাৰ সকলো ছাত্র-ছাত্রীকে তেওঁলোকৰ আগ্ৰহ আৰু দক্ষতাৰ ভিত্তিত সামৰি ল'বলৈ আপুনি কিমান সক্ষম হ'ল? আপুনি যে সকলো ছাত্র-ছাত্রীৰ অৱদানক সমানে মূল্য দিছে সেইটো কেনেকৈ দেখুৱাইছিল? আপুনি আশা নকৰা বিধৰ কিবা অৱদান কোনোবা ছাত্র-ছাত্রীয়ে আগবঢ়াইছিলনে?

## ৬) সাৰাংশ (6 Summary)

এই গোটে এটা বিষয়কেন্দ্ৰিক প্ৰকল্পৰ আঁচনি প্ৰস্তুত আৰু ৰূপায়ণ কৰাত আপোনাক সক্ষম কৰি তুলিবৰ বাবে এটা পৰিকল্পনা যুগুত কৰিছে যাতে, ই এহাতে সু নাগৰিকত্বৰ লগত সম্পৰ্কিত মূল্যবোধসমূহৰ বিকাশৰ সংহতি ৰাখে আৰু আনহাতে ভাষা আৰু সাক্ষৰতাৰ উদ্দেশ্যৰ লগত সম্পৰ্ক গঢ়ি তোলে। এইয়া সম্ভৱ হয় বহু সপ্তাহ জুৰি এলানি পাঠৰ বিষয় জ্ঞান আহৰণ কৰাৰ মাধ্যমেৰে। কাল্পনিক, সহযোগী, সমাজকেন্দ্ৰিক ক্ৰি য়া-কলাপত নিয়োজিত কৰি ৰখাৰ দ্বাৰা, গৱেষণা, আলোচনা, পৰ্যৱেক্ষণ আৰু প্ৰসাৰ কৰাৰ জৰিয়তে ছাত্র-ছাত্রীসকল বৌদ্ধিক আৰু সামাজিকভাৱে লাভান্বিত হয়, যেতিয়া তেনে শিকন অভিজ্ঞতাৰ ইতিবাচক স্মৃতিসমূহ মনত ৰাখি থয়। যিকোনো পৰ্যায়ৰ ছাত্র-ছাত্রীৰ বাবেই এই প্ৰকল্পবোৰ উপযোগী কৰি ল'ব পাৰি, আপুনিও বছৰৰ পাছত বছৰ এই ধৰণৰ প্ৰকল্পৰ আঁচনি কৰি ইয়াক ব্যৱহাৰ কৰিব পাৰে। যদি আপোনাৰ প্ৰকল্পৰ পৰিকল্পনা আৰু ৰূপায়ণৰ বিষয়ে সহকৰ্মীৰ লগত ভাব বিনিময় কৰে আপুনি নিশ্চয় লাভৱান হ'ব।

## সমলসমূহ (Resources)

## সমল ১ ঃ ভাৰতীয় নাগৰিকৰ মৌলিক কৰ্তব্যসমূহ (Resource 1: The fundamental duties of citizens in India)

প্ৰতিজন ভাৰতীয় নাগৰিকৰ কৰ্তব্য হ'ব -

- সংবিধান মানি চলা আৰু ইয়াৰ সকলো আদৰ্শ আৰু সংস্থা তথা ৰাষ্ট্ৰীয় পতাকা আৰু ৰাষ্ট্ৰীয় সংগীতক শ্ৰদ্ধা কৰা;
- স্বাধীনতাৰ বাবে কৰা আমাৰ ৰাষ্ট্ৰীয় আন্দোলনক অনুপ্ৰাণিত কৰা মহান আদৰ্শসমূহ পোষণ আৰু অনুসৰণ কৰা;
- ভাৰতবৰ্ষৰ সাৰ্বভৌমত্ব, ঐক্য আৰু অখণ্ডতা ৰক্ষা কৰা আৰু তাক অক্ষুণ্ণ ৰখা;
- দেশখনক ৰক্ষা কৰা আৰু যেতিয়াই আহ্বান কৰা হয় তেতিয়াই ৰাষ্ট্ৰীয় সেৱা আগবঢ়োৱা;
- ভাৰতৰ সকলো লোকৰ মাজত ধৰ্মীয়, ভাষিক আৰু আঞ্চলিক অথবা সাম্প্ৰদায়িক অনৈক্য অতিত্ৰ ম কৰি সম্প্ৰীতি আৰু সামূহিক ভাতৃভাব বৃদ্ধি কৰা; নাৰীৰ মৰ্যাদা হানিকৰ আচৰণ ত্যাগ কৰা;
- মিশ্ৰিত সংস্কৃতিৰ মূল্যবান ঐতিহ্যক মূল্য দিয়া আৰু তাক সংৰক্ষণ কৰা;
- বন, হ্ৰদ, নদী আৰু বন্য প্ৰাণীকে ধৰি প্ৰাকৃতিক পৰিৱেশ ৰক্ষা কৰা আৰু তাৰ উন্নয়ন কৰা তথা সকলো জীৱিত প্ৰাণীৰ প্ৰতি দয়া ভাব ৰখা;
- বৈজ্ঞানিক দৃষ্টিভংগী, মানৱতাবোধ, অনুসন্ধিৎসা তথা সংস্কাৰৰ মনোভাৱৰ বিকাশ সাধন কৰা;
- ৰাজহুৱা সম্পত্তি ৰক্ষা কৰা আৰু হিংসাত্মক কাৰ্য পৰিহাৰ কৰা; আৰু
- ব্যক্তি গত আৰু সামূহিক কাম-কাজৰ সকলো ক্ষেত্ৰতে উৎকৰ্ষ সাধনৰ বাবে প্ৰয়াস কৰা যাতে ৰাষ্ট্ৰই সফলতাৰ উচ্চতম পৰ্যায়লৈ আগুৱাই যায়।

(Source: Home Department, Govt of Bihar, undated)

## সমল ২ ঃ সকলোকে জড়িত কৰা (Resource 2: Involving all)

### সকলোকে জড়িত কৰা মানে কি বুজাইছে? (What does it mean to 'involve all'?)

সমাজ আৰু সংস্কৃতিৰ বিভিন্নতা শ্ৰেণীকোঠালৈ অহা ছাত্ৰ-ছাত্ৰীৰ মাজেৰে প্ৰকাশিত হয়। ছাত্ৰ-ছাত্ৰীসকল বিভিন্ন ভাষী, বিভিন্ন আগ্ৰহ আৰু বিভিন্ন দক্ষতাৰ হয়। ছাত্ৰ-ছাত্ৰীসকল বিভিন্ন সামাজিক আৰু অৰ্থনৈতিক দিশৰ পৰা আহে। আপুনি এই ভিন্নতাবোৰ অগ্ৰাহ্য কৰিব নোৱাৰে। তেওঁলোকে ইজনৰ লগত সিজনে মিলি পৃথিৱীলৈ শিক্ষা পৰিবাহিত কৰিব আৰু ই আমাৰ অভিজ্ঞতাৰ বাহিৰত। সকলো শিশুৰে শিকাৰ অধিকাৰ আছে। তেওঁ যি পৰিস্থিতিৰেই নহওঁক বা তেওঁৰ পৰিচয় বা অৰ্থনৈতিক অৱস্থা যিয়েই নহওঁক, তেওঁলোক ভাৰতীয় বিধি আৰু আৰ্ন্তজাতিক শিশু অধিকাৰ আইনৰ দ্বাৰা স্বীকৃত। ২০১৪ চনত ভাৰতৰ প্ৰধান মন্ত্ৰী মোদীয়ে দেশৰ জনগণক যি বাৰ্তা দিছিল সেই বাৰ্তাত প্ৰতিজন ভাৰতীয় নাগৰিকক তেওঁলোকৰ জাতি, লিংগ বা উপাৰ্জন নিৰ্বিশেষে গুৰুত্ব প্ৰদান কৰা কথা কৈছিল। বিদ্যালয়ৰ আৰু শিক্ষকৰ এই ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা আছে।

আমাৰ সকলোৰে অন্ধবি ধাস আৰু আনৰ প্ৰতি কিছু বেলেগ ধাৰণা আছে যদিও আমি সকলোৰে মনৰ ভাৱ আৰু ধাৰণাক গুৰুত্ব দিয়া উচিত। শিক্ষক হিচাপে প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ শিকন অভিজ্ঞতাৰ ওপৰত সদৰ্থক বা নঞাৰ্থকভাৱে প্ৰভাৱ পেলাব পৰাৰ ক্ষমতা আপোনাৰ আছে।

আপুনি সদায় সচেতন হ'ব যাতে আপোনাৰ অন্ধবি ধাসে কোনো ছাত্ৰ-ছাত্ৰীৰ ওপৰত বেয়া প্ৰভাৱ পেলাব নোৱাৰে লগতে আপুনি সদায় আপোনাৰ ভাব চিন্তা আৰু যাতে কাৰো প্ৰতি অৰ্থাৎ কোনো ছাত্ৰ-ছাত্ৰীৰ প্ৰতি অসমান বিচাৰ নহয় সেই দিশত নিজকে সষ্টম কৰি ৰাখিব।

### শিকনত সকলোকে জড়িতকৰণৰ তিনিটা মূলনীতি (Three key principles to ensure you involve all in learning)

- **মনোযোগ দিয়া (Noticing)** ঃ ফলপ্ৰসূ শিক্ষকসকল পৰ্যৱেক্ষক, অনুভূতিশীল আৰু সংবেদনশীল। তেওঁলোকে ছাত্ৰ-ছাত্ৰীৰ পৰিৱৰ্তনবোৰ লক্ষ্য কৰি থাকে। আপুনি যেতিয়া সতৰ্ক নিৰীক্ষক হয় তেতিয়া এজন ছাত্ৰই কিবা এটা ভাল কৰে, কেতিয়া

তেওঁলোকক সহায়ৰ প্ৰয়োজন হয় আৰু তেওঁলোকে কেনেকৈ অন্যৰ লগত সম্পৰ্ক কৰিছে, এই সকলোবোৰ কথা লক্ষ্য কৰিব। আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ পৰিৱৰ্তনবোৰৰ প্ৰতিও আপুনি অনুভূতিশীল হ'ব পাৰে। তেওঁলোকৰ ঘৰুৱা পৰিৱেশৰ কাৰণে বা অন্য কাৰণতো পৰিৱৰ্তন প্ৰতিফলিত হ'ব পাৰে। সেয়েহে আপুনি সকলো শিশুকে সমভাৱে আনকি যিয়ে নিজকে দুৰ্বল শ্ৰেণীৰ বুলি ভাবে তেনে শিশুকো প্ৰতিদিনে ভালদৰে মনোযোগ দিব লাগিব।

- **আত্মমৰ্যদাক গুৰুত্ব দিয়া (Focus on self-esteem)** ঃ নিজক লৈ সন্তুষ্ট হ'ব পৰা জনেই ভাল নাগৰিক। তেওঁলোকৰ আত্মসন্মানবোধ থাকে, নিজৰ সক্ষমতা আৰু দুৰ্বলতা নিজে জানে, অন্য মানুহৰ লগত (ঘৰুৱা অৱস্থা নিৰ্বিশেষে) ইতিবাচক সুসম্পৰ্ক গঢ়ি তোলাৰ দক্ষতা থাকে। তেওঁলোকে নিজক আৰু আনকো সন্মান কৰে। সৰু সৰু ছাত্ৰ-ছাত্ৰীৰ আত্মসন্মানবোধ গঢ়ি তোলাত শিক্ষক হিচাপে আপোনাৰ লক্ষণীয় প্ৰভাৱ থাকিব পাৰে। আপোনাৰ এই ক্ষমতাৰ প্ৰতি সাৱধান হওক আৰু ছাত্ৰ-ছাত্ৰীৰ আত্মসন্মানবোধ গঢ়ি তোলাত ইয়াক ব্যৱহাৰ কৰক।
- **নমনীয়তা (Flexibility)** ঃ যদি আপোনাৰ শ্ৰেণীত কিছুমান বিশেষ ছাত্ৰ-ছাত্ৰীৰ বাবে আপোনাৰ পৰিকল্পনাই কাম কৰা নাই, তেনেহ'লে অতি সোনকালে আপোনাৰ পৰিকল্পনা সলনি কৰক নাইবা বন্ধ কৰক। সকলো ছাত্ৰ-ছাত্ৰীকে ফলপ্ৰসূভাৱে জড়িত কৰাবৰ বাবে আপোনাৰ নমনীয়তাই আপোনাক সক্ষম কৰি তুলিব।

## সকলো সময়তে ল'ব পৰা পদ্ধতি বা উপায় (Approaches you can use all the time)

- **আদৰ্শ আচৰণৰ প্ৰকাশ (Modelling good behaviour)** ঃ সকলো ছাত্ৰ-ছাত্ৰীৰ প্ৰতি সজ আচৰণ দেখুৱাই আপুনি আদৰ্শ হওক। গোষ্ঠী, ধৰ্ম নাইবা লিংগ নিৰ্বিশেষে আপুনি এই আচৰণ দেখুৱাওক। সকলো ছাত্ৰ-ছাত্ৰীক সন্মান সহকাৰে ব্যৱহাৰ কৰক আৰু আপোনাৰ শিক্ষণ কালত আপুনি যে সকলো ছাত্ৰ-ছাত্ৰীক সমানে মূল্য দিছে সেইটো স্পষ্ট কৰি তোলক। তেওঁলোক সকলোৰে লগত সন্মান সহকাৰে কথা পাতক, তেওঁলোকৰ মতামতক গুৰুত্ব দিয়ক আৰু শ্ৰেণীত সকলোৰে লাভ হোৱাকৈ কোনো কামৰ দায়িত্ব ল'বলৈ তেওঁলোকক উৎসাহিত কৰক।
- **উচ্চ আকাংখা (High expectations)** ঃ দক্ষতা কেতিয়াও স্থিৰ হৈ নাথাকে। সঠিকভাৱে সহায় সমৰ্থন পালে ছাত্ৰ-ছাত্ৰীসকলে শিকিব আৰু আগবাঢ়ি যাব পাৰে। আপুনি শ্ৰেণীত কৰোৱা কামটো যদি কোনো এজন ছাত্ৰ-ছাত্ৰীয়ে বুজিবলৈ টান পাইছে তেন্তে আপুনি নাভাবিব যে তেওঁলোকে কেতিয়াও বুজি নাপাব। শিক্ষক হিচাপে আপোনাৰ দায়িত্ব হ'ব প্ৰতিজন ছাত্ৰই শিকিব পৰাকৈ আপুনি কিমান ভালকৈ সহায় কৰিব পাৰে সেইটো কৰাটোহে। শ্ৰেণীৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ পৰাই যদি আপোনাৰ উচ্চ প্ৰত্যাশা আছে তেন্তে ছাত্ৰ-ছাত্ৰীয়ে ধৰি ল'ব লাগিব যে তেওঁলোকে যদি নেৰানেপেৰাকৈ লাগি থাকিব পাৰে তেন্তে শিকিব পাৰিব। আচৰণৰ ক্ষেত্ৰতো উচ্চ প্ৰত্যাশা থকা উচিত। প্ৰত্যাশা স্পষ্টভাৱে নিশ্চিত কৰক আৰু চাওক প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়েই যাতে ইজনে সিজনক সন্মান কৰে।
- **আপোনাৰ শিক্ষণ-শিকন প্ৰক্ৰিয়াত বৈচিত্ৰ গঢ়ি তোলক (Build variety into your teaching)** ঃ ছাত্ৰ-ছাত্ৰীয়ে বেলেগ বেলেগ ধৰণে শিকে। কোনোবা এজনে লিখিবলৈ ভাল পায়, অন্য কোনোবাজনে আকৌ নিজৰ চিন্তাবোৰ ছবিৰে প্ৰকাশ কৰি বা কল্পনা কৰি ভাল পায়। কোনোবাজন ছাত্ৰ ভাল শ্ৰোতা আকৌ কোনোবা এজনে নিজৰ ভাব-ধাৰণাৰ বিষয়ে আইনৰ লগত আলোচনা কৰিহে ভালকৈ শিকে। সকলো সময়তে সকলো ছাত্ৰ-ছাত্ৰীকে সমানে উপযোগী কৰি তুলিব নোৱাৰে, কিন্তু আপুনি শ্ৰেণীত বিভিন্ন পদ্ধতিৰে শিকাব পাৰে যাতে সেই শিকন ক্ৰিয়া-কলাপৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে এটা ভাল পোৱা পদ্ধতি গ্ৰহণ কৰিব পাৰে।
- **শিক্ষণৰ লগত দৈনন্দিন জীৱনৰ সংযোগ ঘটোৱা (Relate the learning to everyday life)** ঃ কিছুমান ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীত আপুনি শিকাবলৈ বিচৰা কথাবোৰৰ লগত দৈনন্দিন জীৱনৰ কোনো সংগতি বিচাৰি নাপায়। এইটো কৰিবৰ বাবে যেতিয়াই সম্ভৱ হয়, আপুনি পাঠৰ বিষয়বস্তুৰ লগত তেওঁলোকৰ পৰিৱেশ বা ঘৰুৱা জীৱনৰ বিষয়ে মিলাই কওক যাতে তেওঁলোকৰ অভিজ্ঞতা আপুনি উদাহৰণ হিচাপে দিব পাৰে।
- **ভাষাৰ ব্যৱহাৰ (Use of language)** ঃ আপুনি ব্যৱহাৰ কৰা ভাষা সম্পৰ্কে সাৱধানেৰে ভাবক। সদায় ইতিবাচক আৰু প্ৰশংসাসূচক ভাষাহে ব্যৱহাৰ কৰিব। ছাত্ৰ-ছাত্ৰীক গালি নাপাৰিব। তেওঁলোকৰ আচৰণৰ ওপৰতহে মন্তব্য দিব তেওঁলোকৰ ওপৰত নহয়। তুমি আজি মোক বিৰক্ত কৰিছা বুলি কোৱা কথাষাৰ খুউব ব্যক্তিগত ভাবৰ হৈ পৰে। তাতকৈ আপুনি - আজি

তোমাৰ ব্যৱহাৰত মই আমনি পাইছোঁ। তুমি মনোযোগ দিবলৈ অসুবিধা পোৱাৰ কাৰণ কি?—এনেধৰণেৰে ক'ব পাৰে। কোনটো বেছি সহায়ক হ'ব চাই লওক।

- **বদ্ধমূল ধাৰণাৰ প্ৰতি প্ৰত্যাহ্বান (Challenge stereotypes) ঃ** বিচাৰহীনভাৱে নাইবা পূৰ্বৰ বদ্ধমূল ধাৰণা বাদ দি ছোৱালীৰ বাবে সমল আৰু ভূমিকা বিচাৰি উলিয়াওক। নাইবা আদৰ্শ মহিলা স্কুললৈ নিমন্ত্ৰণ কৰি আনক। যেনে, ধৰক বিজ্ঞানী মহিলা। আপোনাৰ নিজৰ মনত থকা লিংগভিত্তিক বদ্ধমূল ধাৰণাৰ প্ৰতি সজাগ হওক। আপুনি জানিব পাৰে যে ছোৱালীয়েও খেলে আৰু ল'ৰায়ো প্ৰতিপালন কৰে। কিন্তু বাস্তৱক্ষেত্ৰত আমি সমাজত কৈ থকাৰ বাবেই হওক, আমি এই কথাবোৰ বেলেগকৈহে প্ৰকাশ কৰোঁ বা কওঁ।
- **এটা সমাদৃত নিৰাপদ শিকন পৰিৱেশ গঢ়ি তোলক (Create a safe, welcoming learning environment)ঃ** স্কুলত সকলো ছাত্ৰ-ছাত্ৰীয়ে এটা নিৰাপদ আৰু ভাল পৰিৱেশ বিচাৰে। আপুনি এনেকুৱা এটা পদবী বা স্থানত আছে য'ৰ পৰা আপুনি প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে বন্ধুত্বপূৰ্ণভাৱে আৰু বুজা পৰা তথা সন্মান সহকাৰে মিলিজুলি থকাৰ বাবে উৎসাহিত কৰিব পাৰে আৰু তেওঁলোকক এইবোৰ অনুভৱ কৰাব পাৰে। বিভিন্ন ছাত্ৰ-ছাত্ৰীৰ বাবে শ্ৰেণীকোঠা আৰু বিদ্যালয়খন যে একে তাক কেনেকৈ ভবাই তুলিব পাৰে চিন্তা কৰক। সিহঁত ক'ত বহিব সোধা উচিতনে ভাবক, আৰু দৃষ্টিশক্তিহীন বা শ্ৰৱণ শক্তিহীন বা শাৰীৰিকভাৱে প্ৰত্যাহ্বান থকা ছাত্ৰ-ছাত্ৰীৰ বাবেও ইয়াক নিশ্চিত কৰক যে তেওঁলোকে পাঠ গ্ৰহণৰ বাবে শ্ৰেণীৰ য'তেই ইচ্ছা ত'তেই বহিব পাৰে। লাজকুৰীয়া বা সহজে আৱেগিক হোৱা ছাত্ৰ-ছাত্ৰীক মন কৰি আপুনি সহজতে বহুৱাব পৰা ঠাইত বহুৱাই দিয়ক।

## বিশেষ শিক্ষণ পদ্ধতি (Specific teaching approaches)

সকলো ছাত্ৰ-ছাত্ৰীকে জড়িত কৰিব পৰাকৈ বহুতো বিশেষ শিক্ষণৰ পদ্ধতি আছে। সেইবোৰ আন মূল সমলত বিশদভাৱে বৰ্ণনা কৰা হৈছে। ইয়াত এটা চমু অৱলোকণহে কৰা হৈছে।

- **প্ৰ.ন সোধা (Questioning) ঃ** আপুনি যদি ছাত্ৰ-ছাত্ৰীক হাত ওপৰলৈ দাঙিবলৈ কয় তেন্তে একে কেইজনেহে উত্তৰ দিয়াৰ প্ৰৱনতা দেখা যায়। প্ৰ.নৰ উত্তৰ দিয়া আৰু উত্তৰৰ বাবে চিন্তা কৰা কাৰ্যত বেছি ছাত্ৰ-ছাত্ৰীক জড়িত কৰাবৰ বাবে অন্য উপায়ো আছে। আপুনি পোনপটীয়াকৈ একোজন ছাত্ৰ-ছাত্ৰীক প্ৰ.ন সুধিব পাৰে। আপুনি ঘোষণা কৰক যে কোনে উত্তৰ দিব আপুনি সিদ্ধান্ত ল'ব আৰু তেতিয়া পাছৰফালে থকা, কাষত থকা আনকি সন্মুখত থকা সকলকো সোধক। ছাত্ৰ-ছাত্ৰীসকলক ভবাৰ সময় (Thinking time) দিব আৰু বিশেষ একোজন ছাত্ৰ-ছাত্ৰীক নিমন্ত্ৰণ দিয়ক। যুৰীয়া কাৰ্য বা দলগত কাৰ্যৰ জৰিয়তে তেওঁলোকৰ আত্মপ্ৰত্যয় বঢ়াওক যাতে শ্ৰেণীৰ আলোচনাত প্ৰত্যেকেই অংশ গ্ৰহণ কৰিব পাৰে।
- **মান নিৰূপণ (Assessment) ঃ** গঠনাত্মক মান নিৰূপণৰ বাবে কিছু কৌশল নিৰ্ণয় কৰক যাতে প্ৰতিজন ছাত্ৰ-ছাত্ৰীক ভালকৈ জনাত আপোনাৰ সহায় হয়। সুপ্ত প্ৰতিভা বিকশাই তুলিবৰ বাবে আপুনি সৃষ্টিশীল হোৱা প্ৰয়োজন। গঠনাত্মক মূল্যায়নে আপোনাক সঠিক তথ্য দিব। নিৰ্দিষ্ট ছাত্ৰ-ছাত্ৰী আৰু তেওঁলোকৰ দক্ষতাৰ প্ৰতি সাধাৰণ দৃষ্টিভংগীৰে সহজতে কৰা মান নিৰূপণতকৈ গঠনাত্মক মান নিৰূপণ ভাল। তেতিয়া আপুনি নিজেও এটা ভাল স্থানত থাকিব আৰু তেওঁলোকৰ ব্যক্তিগত প্ৰয়োজন পূৰণৰ ক্ষেত্ৰত সহাঁৰি দিব পাৰিব।
- **দলগত কাৰ্য আৰু যুৰীয়া কাৰ্য (Groupwork and pair work) ঃ** শ্ৰেণীটোক কেনেকৈ দলত ভাগ কৰিব নাইবা কেনেকৈ যুটীয়াভাৱে ভগাব ভাবক। সকলোকে সামৰি লোৱাকৈ লক্ষ্য স্থিৰ কৰক আৰু প্ৰত্যেকেই প্ৰত্যেককে মূল্য দিবৰ বাবে ছাত্ৰ-ছাত্ৰীক কেনেকৈ উৎসাহিত কৰিব ভাবি লওক। প্ৰত্যেকেই প্ৰত্যেকৰ পৰা শিকিব পৰাৰ সুযোগ পোৱাতো নিশ্চিত কৰক আৰু তেওঁলোকে জনাৰ ভিত্তিতে তেওঁলোকৰ দৃঢ়তা গঢ়ি তোলক। কিছুমান ছাত্ৰ-ছাত্ৰীয়ে সৰু দলত প্ৰ.ন সোধা বা নিজৰ ধাৰণাৰ বিষয়ে কোৱাৰ আত্মবি.াস থাকিলেও গোটেই শ্ৰেণীটোৰ সন্মুখত তেনে কৰাৰ আত্মবি.াস নাথাকে।
- **পৃথকীকৰণ (Differentiation) ঃ** ছাত্ৰ-ছাত্ৰীয়ে আৰম্ভ কৰিব পৰা আৰু তাৰ পৰা আগবাঢ়ি যাব পৰাকৈ বিভিন্ন দলৰ বাবে বিভিন্ন কাম ঠিক কৰক। মুকলিভাৱে শেষ কৰিব পৰা কামে ছাত্ৰ-ছাত্ৰীক কৃতকাৰ্যতাৰ সুযোগ দিয়ে। নিজৰ কামৰ নিজেই স্বত্বাধিকাৰী বুলি ভাবিবৰ বাবে ছাত্ৰ-ছাত্ৰীক কাম বাছি লোৱাৰ সুবিধা দিয়ক। ছাত্ৰ-ছাত্ৰীৰ নিজৰ শিকন আৰু দায়িত্ববোধৰ বাবেও এনে কৰাৰ প্ৰয়োজন। ব্যক্তিগত শিকনৰ বাবে ডাঙৰ শ্ৰেণীত অসুবিধা হয় কিন্তু বিভিন্ন ধৰণৰ কাম আৰু ক্ৰি য়া-কলাপৰ জৰিয়তে এনে শিকন সম্ভৱ কৰিব পাৰি।

# Additional resources

- 'Learning about rights in Year 2': http://globaldimension.org.uk/pages/8668
- National Policy on Education (1986 and 1992): http://www.childlineindia.org.in/pdf/National-Policy-on-Education.pdf
- National Curriculum for Elementary and Secondary Education (1988): http://www.teindia.nic.in/mhrd/50yrsedu/q/91/HL/toc.htm
- UNESCO language studies: http://www.unesco.org/education/tlsf/mods/theme_b/popups/mod06t04s04.html
- *Right Here, Right Now: Teaching Citizenship through Human Rights*, published by the UK Ministry of Justice, the British Institute of Human Rights, the UK Department for Children, Schools and Families, and Amnesty International UK: http://www.amnesty.org.uk/sites/default/files/book_-_right_here_right_now_0.pdf
- 'Language across curriculum' by Nisha Butoliya: http://www.teachersofindia.org/en/lesson-plan/language-across-curriculum
- UNICEF India: http://www.unicef.org/india/wes.html
- 'What is academic language?' by James Paul Gee, which includes further discussion of the issues raised in the introduction: http://www.jamespaulgee.com/sites/default/files/pub/TeachingSciencetoELL-Ch07.pdf
- *Democratic Citizenship, Languages, Diversity and Human Rights* by Hugh Starkey: https://www.coe.int/t/dg4/linguistic/Source/StarkeyEN.pdf

# References/bibliography

Home Department, Govt of Bihar (undated) 'Fundamental Duties of the Citizens of India as per the Constitution of India' (online). Available from: http://home.bih.nic.in/Citizen_Guidelines/fundamental_duties_of_citizen.htm (accessed 29 October 2014).

Malone, S. (2010) *Activities for Early Grades of Mother Tongue (L1)-Based Multilingual Education Programs*. Dallas, TX: SIL International.

# Acknowledgements

Except for third party materials and otherwise stated below, this content is made available under a Creative Commons Attribution-ShareAlike licence (http://creativecommons.org/licenses/by-sa/3.0/). The material acknowledged below is Proprietary and used under licence for this project, and not subject to the Creative Commons Licence. This means that this material may only be used unadapted within the TESS-India project and not in any subsequent OER versions. This includes the use of the TESS-India, OU and UKAID logos.

Grateful acknowledgement is made to the following sources for permission to reproduce the material in this unit:

Figure 1: http://ww.ifrc.org.

Figure 3: top left, adapted from 'Child growth stats show half of india's children are chronically malnourished', Pratul Sharma, 7 October 2012, Mail Online India, http://www.dailymail.co.uk; top right, http://www.saferinindia.org; bottom left, http://happy-2013.blogspot.com/2014/05/; bottom right, http://www.pakool.com.

Figure 4: top left, http://www.childlineindia.org.in; top middle, http://newswatch.nationalgeographic.com; right, http://ncert.nic.in; bottom left, http://www.kidsfortigers.org; bottom right, AFP=JIJI http://www.jijiphoto.jp.

Resource 1: http://home.bih.nic.in.

Every effort has been made to contact copyright owners. If any have been inadvertently overlooked the publishers will be pleased to make the necessary arrangements at the first opportunity.

Video (including video stills): thanks are extended to the teacher educators, headteachers, teachers and students across India who worked with The Open University in the productions.